**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৬২৪/২০১৯**

## নাথ যোগী সম্প্ৰদায়ৰ বিভিন্ন সংস্থাৰ প্ৰতিনিধি দলে সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰীক

**দিছপুৰ, ৩০ ডিচেম্বৰ ঃ** আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভা কক্ষত অসম প্ৰাদেশীক যোগী সন্মিলনী, সদৌ অসম নাথ যোগী ছাত্ৰ সন্থা আৰু বি টি এ ডি নাথ যোগী সন্মিলনীৰ প্ৰতিনিধি সকলৰ সৈতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত নাথ যোগী সম্প্ৰদায়ৰ বিভিন্ন সমস্যাৰাজি সম্পৰ্কত আলোচনা কৰা হয়। আলোচনা কালত মুখ্যমন্ত্ৰীয়ে কয় যে নাথ যোগী উন্নয়ন পৰিষদখন শক্তিশালী কৰা হ'ব। আনহাতে নাথ যোগী সম্প্ৰদায়ৰ জাতীয় বস্ত্ৰ সংগ্ৰহালয়ত সংৰক্ষণ, গুৱাহাটী মহানগৰীত নাথ যোগীসকলৰ বাবে অতিথিশালা নিৰ্মাণৰ ক্ষেত্ৰটো ৰাজ্য চৰকাৰে যথোচিত পদক্ষেপ গ্ৰহণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে নাথ যোগী সম্প্ৰদায়ৰ অন্যান্য দাবী সমূহ সহানুভূতিৰে বিবেচনা কৰাৰ আশ্বাস প্ৰদান কৰে।

আজিৰ এই বৈঠকত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলে, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ আয়ুক্ত সচিব ড° এম অংগমুথু প্ৰমুখ্যে জ্যেষ্ঠ বিষয়া সকল উপস্থিত থাকে।

**পুঃ ডেঃ/ বঃভাঃ**
**৩০-১২-২০১৯**